BSR/39/15

2016

# ASSAMESE

## FIRST PAPER

*Full Marks* : 200

*Time* : 3 hour

*The figures in the margin indicate full marks for the questions*

### ক—শাখা

( কবিতা )

Answer *any* **eight** questions within *250* words each

১। 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিৰ আধাৰগ্ৰন্থ কোনখন? কবিতাটিত কবি মাধৱ কন্দলীয়ে অৰ্থালংকাৰৰ প্ৰয়োগ কেনেদৰে কৰিছে? কবিতাটিৰ মাজেৰে কবিজনাৰ কবিপ্ৰতিভা কেনেদৰে বিকশিত হৈছে, আলোচনা কৰা। ২+৮+১০=২০

২। 'নন্দোৎসৱ' কবিতাটি ভাগৱতৰ কোনটো স্কন্ধৰ অন্তৰ্গত? কবিতাটিত উল্লেখ থকা নন্দৰ পৰিচয় দাঙি ধৰি তেওঁ কৃষ্ণৰ জন্ম উপলক্ষে আয়োজন কৰা উৎসৱটিৰ বৰ্ণনা দিয়া। ১+৩+১৬=২০

৩। বৰগীত কাক বোলে? মাধৱদেৱে ৰচনা কৰা বৰগীতৰ মূল বৈশিষ্ট্য কি? 'তেজৰে কমলাপতি' বৰগীতটোৰ মাজেৰে প্ৰকাশ পোৱা কৃষ্ণৰ ৰূপ আৰু পুৱাৰ সৌন্দৰ্য বৰ্ণনা কৰা। ২+২+১৬=২০

৪। কবি দুৰ্গাবৰৰ পৰিচয় দাঙি ধৰি সীতাই মায়া অযোধ্যা সৃষ্টি কৰাৰ কাৰণ ব্যাখ্যা কৰি কাব্যাংশৰ সৌন্দৰ্য বিচাৰ কৰা। ৫+৩+১২=২০

৫। ৰাম সৰস্বতীক অসমীয়া সাহিত্যত কি বুলি জনা যায়? তেওঁৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ কাব্যখিনিক কি বুলি কোৱা হয়? 'ধৃতৰাষ্ট্ৰ-বিদুৰ সংবাদ'ৰ মূল কথাখিনি নিজৰ ভাষাত বৰ্ণনা কৰা। ২+২+১৬=২০

৬। 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটিত পীতাম্বৰ কবিৰ পৰিস্থিতি নিৰ্মাণ আৰু বৰ্ণনা-নৈপুণ্য কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা। ১০+১০=২০

৭। ৰোমান্টিক কবিতাৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰি লক্ষ্মীনাথ বেজবৰুৱাৰ 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতাটো ৰোমান্টিক কবিতা হয় নে নহয়, আলোচনা কৰা। ৪+১৬=২০

৮। কবি হিচাপে অসমীয়া সাহিত্যত চন্দ্ৰকুমাৰ আগৰৱালাৰ স্থান নিৰ্ণয় কৰা আৰু 'নিয়ৰ' কবিতাৰ আধাৰত তেওঁৰ কাব্য-প্ৰতিভাৰ বিচাৰ কৰা। ১০+১০=২০

৯। কবি অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কিয় নিজে ঝাড়ুদাৰ হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছে? তেওঁৰ মতে সমাজখন কেনেকুৱা হ'ব লাগে? 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাৰ আলমত কবিৰ জীৱনদৰ্শন সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ৫+৫+১০=২০

১০। আধুনিক অসমীয়া কবিতাৰ চমু ইতিহাস দাঙি ধৰি 'পলস' কবিতাটোত প্ৰতীক আৰু চিত্ৰকল্পৰ কিদৰে প্ৰয়োগ ঘটিছে, লিখা। ১০+১০=২০

১১। হেম বৰুৱাৰ 'মমতাৰ চিঠি' কবিতাটিত এগৰাকী নাৰীৰ মনোবেদনা কেনেদৰে ফুটি উঠিছে, উদ্ধৃতিসহ আলোচনা কৰা। ২০

১২। হীৰেণ ভট্টাচাৰ্যৰ 'মোৰ দেশ' কবিতাটোৰ মাজেৰে কবিৰ স্বদেশপ্ৰেমৰ ভাব কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা। ২০

## খ—শাখা

### ( নাটক )

Answer *any* **five** questions within *150* words each

১৩। ঐতিহাসিক নাটক কাক বোলে? ইয়াৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা। ৮

১৪। 'কমেডী'ৰ বৈশিষ্ট্য নিৰূপণ কৰি ইয়াৰ প্ৰকাৰভেদ সম্পৰ্কে আলোচনা কৰা। ৪+৪=৮

১৫। 'গাঁওবুঢ়া' কোন শ্ৰেণীৰ নাটক? নাটকখনৰ মূল চৰিত্ৰৰ মাজেৰে কৰুণ ৰসৰ প্ৰকাশ কেনেদৰে ঘটিছে, লিখা। ২+৬=৮

১৬। প্ৰহসন হিচাপে 'লিটিকাই'ৰ এটি টোকা লিখা। ৮

১৭। জ্যোতিপ্ৰসাদৰ নাটকৰ ইলাহী বক্স চৰিত্ৰটোৰ মাজেৰে সাম্প্ৰদায়িক সম্প্ৰীতিৰ ছবি কিদৰে প্ৰকাশিত হৈছে, লিখা। ৮

১৮। অৰুণ শৰ্মাৰ 'আহাৰ' নাটকৰ বিষয় আৰু কলাকৌশল সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। 4+4=৮

১৯। নাটকৰ তিনি ঐক্য বুলিলে কি বুজা? নাটকৰ তিনি ঐক্য সম্পৰ্কে আলোচনা কৰা। ২+৬=৮

২০। চমু টোকা লিখা (যি কোনো দুটা) : 4×২=৮

(ক) ৰূপকধৰ্মী নাটক

(খ) মহাকাব্যিক নাটক

(গ) এবচাৰ্ড নাটক

(ঘ) পৌৰাণিক নাটক

★ ★ ★